No. of Printed Pages—2

82 (SSN3)

[17–HDGKACRM–M3]

MA 3rd Semester Exam., 2017

ASSAMESE

[MAS (S3) 12 (Lit)]

(সংস্কৃত সাহিত্যৰ নিৰ্বাচিত পাঠ)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. তলৰ যি কোনো **পাঁচটা** প্ৰশ্নৰ চমু উত্তৰ লিখক (প্ৰতিটো ৫০ শব্দৰ ভিতৰত) : ২×৫=১০

(a) 'মালবিকাগ্নিমিত্রম্' নাটকখনৰ মূল বিষয়বস্তুৰ আভাস দাঙি ধৰক।

(b) চম্পুকাব্যৰ প্ৰধান বৈশিষ্ট্যসমূহ লিখক।

(c) 'কৃষ্ণকৰ্ণামৃত' গ্ৰন্থখনৰ ৰচক কোন? এই গ্ৰন্থখনৰ বিষয়বস্তুৰ বিষয়ে চমুকৈ উল্লেখ কৰক।

(d) 'ৰঘুবংশম্' মহাকাব্যৰ বিষয়বস্তুৰ আধাৰ গ্ৰন্থ সম্পৰ্কে আলোকপাত কৰক।

(e) 'ৰঘুবংশম্'-ক এখন প্ৰকৃত মহাকাব্য বুলি ক'ব পাৰিনে? যুক্তি আগবঢ়াওক।

(f) সংস্কৃত নাটকৰ লক্ষণসমূহ কি কি বুলি সমালোচকসকলে নিৰ্ধাৰণ কৰিছে?

2. তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ১৫০ শব্দৰ ভিতৰত) : ৪×৩=১২

(a) অশ্বঘোষে ৰচনা কৰা 'সৌন্দৰানন্দ' মহাকাব্যখনৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।

(b) সংস্কৃত নাটকৰ উৎপত্তি কেনেদৰে হৈছিল? আলোচনা কৰক।

(c) 'অভিজ্ঞানশকুন্তলম্' নাটকখনত অনসূয়া আৰু প্ৰিয়ম্বদাই কি প্ৰকাৰ্য সাধন কৰিছে? বুজাই লিখক।

(d) 'মৃচ্ছকটিকম্' প্ৰকৰণখনত শকাৰ চৰিত্ৰটোৰ প্ৰয়োজন আছে বুলি আপুনি ভাবেনে? যুক্তি আগবঢ়াওক।

3. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ২৫০ শব্দৰ ভিতৰত) : ৬×৩=১৮

(a) ভাৰতীয় সাহিত্যত 'ৰামায়ণ'ৰ প্ৰভাৱ সম্পৰ্কে বহলাই আলোচনা কৰক।

(b) গীতিকাব্য কাক বোলে ? সংস্কৃত গীতিকাব্যৰ বিষয়ে এটি আলচ যুগুত কৰক।

(c) 'ৰঘুবংশম্' মহাকাব্যৰ প্ৰথম আৰু দ্বিতীয় সৰ্গৰ আধাৰত তাত চিত্ৰিত হোৱা প্ৰকৃতিৰ মনোমোহা চিত্ৰ সম্পৰ্কে উদাহৰণসহ এটি নিবন্ধ লিখক।

(d) 'ৰঘুবংশম্' মহাকাব্যখনত দিলীপৰ কৰ্তব্যপৰায়ণতা কেনেদৰে প্ৰকাশ পাইছে, উদাহৰণসহ বুজাই লিখক।

4. তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ৫০০ শব্দৰ ভিতৰত) : ১০×৪=৪০

(a) ''মহাভাৰতত ভাৰতীয় দৰ্শন, ধৰ্ম, পুৰাণ, ইতিহাস, স্মৃতি, কাব্য ইত্যাদি সকলো বিষয় সমাহিত হৈ আছে।'' উক্তিৰ যথাৰ্থতা নিৰূপণ কৰক।

(b) ৰূপক কাক বোলে ? ই কেইপ্ৰকাৰ আৰু কি কি ? প্ৰকৰণৰ সাধাৰণ লক্ষণসমূহৰ বিষয়ে আলোচনা কৰক।

(c) সংস্কৃত নাট্য সাহিত্যক কিহৰ ভিত্তিত, কেইটা ভাগত বিভাজন কৰা হৈছে ? ইয়াৰে প্ৰথম ভাগটোৰ নাট্যকাৰ তথা নাটকসমূহৰ বিষয়বস্তু সম্পৰ্কে বহলাই আলোচনা আগবঢ়াওক।

(d) 'অভিজ্ঞানশকুন্তলম্' নাটকখনত সমসাময়িক আৰ্থ-সামাজিক তথা ৰাজনৈতিক প্ৰেক্ষাপট কেনেদৰে উদ্ভাসিত হৈছে, সেই বিষয়ে এটি বিশ্লেষণ আগবঢ়াওক।

(e) 'মৃচ্ছকটিকম্' প্ৰকৰণখনত নাট্যকাৰে কেনেদৰে চৰিত্ৰ চিত্ৰণ কৰিছে, সেই বিষয়ে আলোকপাত কৰি ৰস বিচাৰ কৰক।

★★★